**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-01-2025
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**::::::::::::::::::::::::::::::::**

গুৱাহাটী উচ্চ ন্যায়ালয়ে পূৰ্বে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰা সন্দৰ্ভত ৰায় স্থগিত ৰখা ৫ খন জিলাতো এই নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে অনুমতি দিছে। ন্যায়ালয়ৰ এখন খণ্ড বিচাৰপীঠে আজি এটা গুৰুত্বপূৰ্ণ ৰায়যোগে ৰাজ্যখনৰ এই ৫ খন জিলাত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ অনুমতি দিয়ে। খণ্ড বিচাৰপীঠে পূৰ্বৰ এজনীয়া বিচাৰপীঠৰ নিৰ্দেশত স্থগিতাদেশ জাৰি কৰাৰ পৰিপ্ৰেক্ষিতত সকলো পঞ্চায়তেতে নিৰ্বাচন অনুষ্ঠিত হোৱাৰ বাট মুকলি হৈ পৰে। উল্লেখযোগ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ে যোৱা ১২ জানুৱাৰীত ৰাজ্যৰ ৫ খন জিলাৰ বিবদমান ৯ খন পঞ্চায়ত বাদ দি বাকী পঞ্চায়তসমূহত শীঘ্ৰে নিৰ্বাচন অনুষ্ঠিত কৰাৰ ৰায় দিছিল। ইয়াৰ পূৰ্বে ১০ জানুৱাৰীত বিষয়টো সন্দৰ্ভত শুনানি গ্ৰহণ কৰা হৈছিল যদিও ন্যায়ালয় ৰায়দানৰ পৰা বিৰত আছিল।

ন্যায়ালয়ে অহা ৬ ফেব্ৰুৱাৰীত লেখ আবেদনৰ গোচৰসমূহৰ পৰৱৰ্তী শুনানীৰ দিন ধাৰ্য কৰিছে। গোচৰীয়া পক্ষৰ অধিবক্তা এ কে তালুকদাৰে সংবাদমাধ্যমৰ আগত জনোৱা অনুসৰি পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'লেও ইতিমধ্যে নিৰ্বাচনক লৈ ৰুজু হোৱা গোচৰসমূহৰ শুনানি উচ্চ ন্যায়ালয়ৰ মজিয়াত চলি থাকিব।

ooooo

জাপান ভ্ৰমণৰত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি দেশখনৰ ন্যায় বিভাগৰ ৰাজ্যমন্ত্ৰী কোমুৰা মাছাহিৰোক সাক্ষাৎ কৰি জাপানৰ কোম্পানীসমূহৰ বাবে অসমত বিনিয়োগৰ সুচল পৰিবেশ সৃষ্টিৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়ে জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে জাপানৰ মন্ত্ৰীগৰাকীক অসম চৰকাৰে দেশখনৰ কোম্পানীসমূহৰ বাবে এখন ঔদ্যোগিক উদ্যান স্থাপনৰ পৰিকল্পনা লৈছে বুলি অৱগত কৰে। তদুপৰি অসমৰ প্ৰতিভাৱান আৰু দক্ষতাসম্পন্ন যুৱক-যুৱতীয়ে জাপানত কৰ্মচাৰীৰ চাহিদা পূৰণ কৰাত কেনেদৰে সহায় কৰিব এই বিষয়ে মুখ্যমন্ত্ৰীয়ে মন্ত্ৰীগৰাকীৰ সৈতে আলোচনা কৰে। এই ভ্ৰমণকালত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই দেশখনৰ ৮০ গৰাকীতকৈও অধিক উদ্যোগীৰ সৈতে বাৰ্তালাপ কৰে। অসমক দেশৰ পৰৱৰ্তী অৰ্থনৈতিক কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ পৰিকল্পনা সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে উদ্যোগীসকলৰ সৈতে আলোচনা কৰে।

ooooo

নগাঁও আৰক্ষীয়ে শিৱসাগৰ আৰক্ষীৰ সহযোগত শিৱসাগৰ জিলাৰ ডিমৌত অভিযান চলাই তেল চুৰিৰ এটা বৃহৎ চক্ৰক উৎসাট কৰিবলৈ সমৰ্থ হয়। নগাঁও জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক পাৰ্থ প্ৰতীম বৰুৱাই আজি এখন সংবাদমেলত এই কথা প্ৰকাশ কৰে। আৰক্ষী অধীক্ষকগৰাকীয়ে প্ৰকাশ কৰা মতে নগাঁও জিলাৰ বৰহমপুৰ ভেৰভেৰীত খাৰুৱাতেল পৰিবাহী পাইপ ফুটাই কেইবাজনো লোকে তেল চোৰ কৰাৰ সন্দৰ্ভত নগাঁও

সদৰ আৰক্ষী থানাত এটা গোচৰ ৰুজু কৰা হয়। ইয়াৰ ভিত্তিত নগাঁও আক্ষীয়ে অভিযান চলাই শিৱসাগৰৰ ডিমোৰ পৰা ৫ জন লোকক আটক কৰাৰ লগতে এখন চুৰি তেলৰ টেংকাৰো জব্দ কৰে। ধৃত লোককেইজন বৰহমপুৰৰ প্ৰাঞ্জল কোঁৱৰ, জীতেন গগৈ, মাধুৰ্য সিনহা, ডিমৰুগুৰিৰ জামালুদ্দিন আৰু শিৱসাগৰৰ ডিমৌৰ সন্তোষ সিনহা বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। আৰক্ষীয়ে অধিক তথ্যৰ বাবে লোককেইজনক জেৰা অব্যাহত ৰাখিছে।

ooooo

মৰিগাঁও জিলাৰ লাহৰীঘাটৰ শালমাৰা পামত আজি বনৰীয়া ম'হৰ আক্ৰমণত দুজন লোক গুৰুতৰভাৱে আহত হয়। ইয়াৰে দীপক বৰদলৈ নামৰ যুৱকগৰাকীক সংকটজনক অৱস্থাত মৰিগাঁও অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসকে উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। ইপিনে, ঘটনাৰ খবৰ পোৱা মাত্ৰেই বন কৰ্মী ততালিকে সেই স্থানলৈ গৈ পৰিস্থিতি পৰ্যৱেক্ষণ কৰে। বনৰীয়া ম'হটো খেদিবলৈ বন সুৰক্ষা কৰ্মীৰ দলে শালমাৰা পামত বাহৰ পাতিছে যদিও পথাৰভৰি মাকৈ খেতি থকাৰ বাবে ম'হটো খেদাত সমস্যাৰ সৃষ্টি হৈছে।

ooooo

চিৰাং জিলাৰ আৰক্ষীয়ে ড্ৰাগছ বিৰোধী অভিযান চলাই জিলাখনৰ চাপাগুৰি ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ চাৰি আলি চ'কৰ পৰা বুজন পৰিমাণৰ মাদকদ্ৰব্যসহ এজন লোকক আটক কৰে। ধৃত লোকজন বঙাইগাঁও জিলাৰ ডনকিনামাৰি গাঁৱৰ মাজম আলী বুলি চিনাক্ত কৰা হৈছে। কাজলগাঁও সদৰথানাৰ আৰক্ষীয়ে লোকজনৰ পৰা মাদকদ্ৰব্য ভৰ্তি ৬টাকৈ প্লাষ্টিকৰ কণ্টেইনাৰ উদ্ধাৰ কৰে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে লোকজনক সোধাপোছা অব্যাহত ৰাখিছে।

ooooo

বাক্সা জিলাৰ দক্ষিণ অঞ্চলী কৃষক সংঘৰ উদ্যোগত আজি দিনজোৰা কাৰ্যসূচীৰে ভাগৱত শোভাযাত্ৰাৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কাৰ্যসূচীৰ অংশ হিচাপে ধৰ্মধবজা উত্তোলন, স্মৃতি তৰ্পণ, ভাগৱত পাঠ, ধৰ্মালোচনা সভা আদি অনুষ্ঠিত হয়। **সমাজ সংস্কাৰত ধৰ্মৰ ভূমিকা** এই সন্দৰ্ভত বৰপেটা জিলাৰ সুন্দৰীদিয়া সত্ৰৰ সত্ৰাধিকাৰ আৰু বজালী জিলাৰ ছৈবাৰী সত্ৰৰ সত্ৰাধিকাৰে বক্তব্য আগবঢ়ায়। সন্ধিয়াৰ ভাগত নাগাৰানাম পৰিৱেশনেৰে এই কাৰ্যসূচীৰ সামৰণি পৰে।

ooooo

অসম অলিম্পিক সন্থাই আজি ৰাধা গোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্প প্ৰাংগণত আয়োজিত এটা অনুষ্ঠানত ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বোৰ্ড, বি চি চি আইৰ নৱ-নিৰ্বাচিত সচিব দেৱজিৎ শইকীয়াক সম্বৰ্ধনা জনায়। অনুষ্ঠানত ৰাজ্যিক অলিম্পিক সন্থাৰ উপৰি ৩০ টাৰো অধিক ৰাজ্যিক ক্ৰীড়া সন্থা আৰু ভালেমান জিলা ক্ৰীড়া সন্থাই সচিবগৰাকীক সন্বৰ্ধনা জনায়। এই অনুষ্ঠানতে সমাগত ৩৮ সংখ্যক উত্তৰাখণ্ড ৰাষ্ট্ৰীয় ক্ৰীড়া সন্দৰ্ভত অসম অলিম্পিক সন্থাই প্ৰকাশ কৰা এখন হাতপুথি উন্মোচন কৰা হয়। অনুষ্ঠানত সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰ, কোষাধ্যক্ষ অশোক ভৰালীৰ লগতে গুৱাহাটী ক্ৰীড়া সন্থাৰ সভাপতি পৰেশ চন্দ্ৰ দাস উপস্থিত থাকে।

ooooo